


# হস্তী-মানৱৰ সংঘাত ৰোধত

# এপিজয় চাহ সংস্থাৰ সফলতা

**হস্তী-মানৱৰ** সংঘাতে অসমত চূড়ান্ত ৰূপ লোৱাৰ সময়ত অসমৰ বৃহৎ চাহ প্ৰতিষ্ঠান এপিজয় চাহে বিশ্ব বন্যপ্ৰাণী ন্যাস, ভাৰতৰে মিলি যোৱা তিনি বছৰত এই সংঘাত বহু পৰিমাণে হ্ৰাস কৰাত সফলকাম হৈছে। চাহ প্ৰতিষ্ঠানটোৰ ১৭খন চাহ বাগিচাৰ শোণিতপুৰ জিলাত থকা চাৰিখন ক্ৰমে বৰজুলি, গড়আলি, ধুলাপাদুং আৰু চেঁচা চাহ বাগান তথা ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত হোৱা হস্তী-মানৱৰ সংঘাত বহুখিনি কমাবলৈ সক্ষম হৈছে। ২০১৫ চনতে বিশ্ব বন্যপ্ৰাণী ন্যাস, ভাৰতৰে তিনি বছৰীয়া অংশীদাৰিত্বত সহযোগী হোৱা প্ৰতিষ্ঠানটোৱে অলপতে তেওঁলোকৰ কাম-কাজৰ প্ৰভাৱ সম্পৰ্কে অৱগত কৰে। বিশ্ব বন্যপ্ৰাণী ন্যাস, ভাৰতৰ হৈ দীপাংকৰ ঘোষ, এপিজয় সুৰেন্দ্ৰ গ্ৰুপৰ চি এছ আৰ পৰিচালক ৰেণু কক্কৰ তথা বিভিন্ন বিষয়াবৰ্গ উপস্থিত থকা উক্ত পৰ্যালোচনামূলক অনুষ্ঠানত ঘোষণা কৰা মতে প্ৰতিষ্ঠানটোৱে বহুখিনি সফলতা লাভ কৰা দেখা গৈছে। সেয়া হ'ল—

* হাতী-মানুহৰ সংঘাতৰ ফলশ্ৰুতিত এপিজয় চাহ বাগিচাত বিগত তিনি বছৰত বিত্তীয় লোকচান ৭৪ শতাংশ হ্ৰাস পাইছে।

* শোণিতপুৰত হাতী-মানুহৰ সংঘৰ্ষৰ ফলত মৃত্যু হোৱা মানুহ আৰু হাতীৰ সংখ্যা হ্ৰাস পাইছে ঃ ২০১৭ বৰ্ষত ৩টা হাতী আৰু ১১জন লোক নিহত হৈছে, তাৰ তুলনাত ২০১৩ চনত ৮টা হাতী আৰু ১৬ জন লোকৰ মৃত্যু হৈছিল।

* ৭টা প্ৰাৰম্ভিক সতৰ্কীকৰণ প্ৰণালী স্থাপিত কৰা হৈছে— এপিজয় চাহৰ ধুলাপাদুং আৰু চেঁচা বাগিচাত নিষ্ক্ৰিয় ইনফ্ৰা-ৰেড ছিষ্টেমৰ ৬টা শাখা আৰু চেঁচা বাগিচাত এটা সক্ৰিয় ইনফ্ৰা ৰেড ছিষ্টেম লগোৱা হৈছে।

* এই আঁচনিৰ এবছৰত ১১১বাৰ বনৰীয়া হাতীক সফলতাৰে প্ৰশিক্ষিত হাতী অথবা 'কংকিসিন'ৰ সহায়ত নিকটৱৰ্তী হাবিলৈ ঘূৰাই পঠিওৱা হয়।

* বিগত ৩ বৰ্ষত হাতী-মানুহৰ সংঘাত পৰিচালনা সম্পৰ্কীয় ১৪খন অধিবিন্যাস সভা (Orientation meet) আঁচনিৰ অধীনত আয়োজন কৰা হৈছে।

* কাজিৰঙা এন পিৰ কাষৰ শোণিতপুৰ, লখিমপুৰ, ধেমাজি আৰু নগাঁও জিলাত ১০০০ৰো অধিক ফ্ৰন্টলাইন কৰ্মচাৰী আৰু এন্টি ডিপ্ৰেডেশ্বন স্কোৱাড সদস্যক হাতী-মানুহৰ সংঘাত সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়।

* এইচ ই চি এম সংযোগ অভিযানত ৪৭খন বাটৰ নাটক, ২০খন চিনেমা প্ৰদৰ্শন আৰু ১০০০ খন পোষ্টাৰ ব্যৱহাৰ কৰা হয়।

* হঠাতে হ'ব পৰা হাতী-মানুহৰ মুখামুখি ৰোধ কৰিবলৈ ২৮টা বিপদসংকুল স্থানত সৌৰশক্তি চালিত ষ্ট্ৰীটলাইট স্থাপন কৰা হৈছে।

* উদ্ভাৱনীমূলক সমাধানৰ আৰম্ভণিতে ১২.৫ কিঃ মিঃ অঞ্চলত জোঙা বাঁহৰ জেওৰা দিয়াৰ লগতে এপিজয় চাহে ইয়াক প্ৰতিপাল কৰি আহিছে।

* জোঙা বাঁহৰ দুখন বাৰী সৃষ্টি কৰা হৈছে আৰু ইয়াক এপিজয় চাহে প্ৰতিপালন কৰি আহিছে। বৰ্তমান ইয়াত বাঁহৰ সংখ্যা হ'ল ৯,০৬৩ জোপা।

* হাতীৰ কাৰণে হোৱা হানিৰ মাত্ৰা নিৰূপণ কৰিবলৈ এটা মেট্ৰিক্স বনোৱা হৈছে।

* ৭০টা এন্টি ডিপ্ৰেডেচন স্কোৱাড গঠিত হ'ল আৰু শোণিতপুৰত ১৬০০তকৈ অধিক সদস্যক প্ৰশিক্ষণ দিয়া হ'ল, ইয়াৰে ভিতৰত ২০টা এ ডি এছ আৰু ৩০০তকৈ অধিক সদস্যই এপিজয়ৰ চাহ বাগিচাত প্ৰশিক্ষণ লৈছিল।

* এপিজয়ৰ চাহ বাগিচা আৰু কাষৰীয়া গাঁওসমূহত বাস কৰা ৮০০০তকৈ অধিক লোকক হাতী-মানুহৰ সংঘাত সম্পৰ্কে সজাগ কৰা হয়।

* বিগত বৰ্ষত ৪৪২.৫ হেক্টৰ কৃষিভূমি হাতী-মানুহৰ সংঘাতৰ ফলত বিনষ্ট হৈছিল যদিও ২০১৭ বৰ্ষত সৌৰশক্তি চালিত জেওৰাৰ প্ৰতিষ্ঠাপনৰ ফলত ই হ্ৰাস পাই ১২০ হেক্টৰ হৈছেগৈ।

* জনগোষ্ঠীসমূহ, অসম বন বিভাগ, স্থানীয় বিধায়ক আৰু অন্য হিতাকাংক্ষীৰ সহযোগত উত্তৰ দিশত পৰিদৃশ্যত ১৩৬ কিঃমিঃ অঞ্চলত সৌৰশক্তিচালিত জেওৰাৰ স্থাপন কৰাৰ পিছত সংঘাত ৯০ শতাংশ হ্ৰাস পাইছে। ইয়াৰে ১৫.৫ কিঃমিঃ এপিজয়ৰ চাহ বাগিচাত আছে আৰু ১৭জন লোকক ইয়াৰ প্ৰতিপাল কৰিবলৈ প্ৰশিক্ষিত কৰা হৈছে। বিদ্যালয়, সাৰ্বজনীন স্বাস্থ্যকেন্দ্ৰসমূহ আৰু আৱাসিক অঞ্চলসমূহৰ প্ৰায় ২,০০,০০০ লোকে এইধৰণৰ জেওৰা স্থাপনৰ ফলত লাভৱান হৈছে।

*(নিয়মীয়া বাৰ্তাৰ প্ৰতিবেদন)*